# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-10-2024
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*
***- - - - - - - - - - - - -***

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিভিন্ন চৰকাৰী বিভাগ আৰু সংস্থাত নতুনকৈ নিযুক্তি লাভ কৰা ৫১ হাজাৰৰো অধিক প্ৰাৰ্থীৰ মাজত ভাৰ্চুৱেল ব্যৱস্থাৰে নিযুক্তি পত্ৰ বিতৰণ কৰে। এই উপলক্ষে গুৱাহাটী সহ দেশৰ ৪০ টা স্থানত আয়োজন কৰা ৰোজগাৰ মেলাক ভিডিঅ' কনফাৰেঞ্চিং ব্যৱস্থাৰে সম্বোধন কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে যুৱক-যুৱতীসকলক স্থায়ী চৰকাৰী চাকৰি প্ৰদানৰ প্ৰচেষ্টা অব্যাহত আছে। তেওঁ কয় যে দেশৰ যুৱ-প্ৰজন্মক কৰ্ম সংস্থাপনৰ সুযোগ প্ৰদান কৰিবলৈ চৰকাৰ বদ্ধপৰিকৰ। কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ বিভিন্ন বিভাগ আৰু মন্ত্ৰ্যালয়ত নতুনকৈ নিযুক্তি লাভ কৰা প্ৰাৰ্থীসকলক কৰ্মযোগী প্ৰাৰম্ভৰ মাধ্যমেৰে বুনিয়াদী প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। iGOT কৰ্মযোগী প'ৰ্টেলত এই অনলাইন মডিউল আৰু এহেজাৰ ৪০০ ৰো অধিক ই-শিক্ষণ পাঠ্যক্ৰম উপলব্ধ হব। এই পাঠ্যক্ৰমসমূহে নৱ-নিযুক্ত প্ৰাৰ্থীসকলক বিকশিত ভাৰত নিৰ্মাণৰ ক্ষেত্ৰত ফলপ্ৰসু সেৱা আগবঢ়াব পৰাকৈ দক্ষ কৰি তুলিব।

উল্লেখযোগ্য যে দেশৰ ৪০টা স্থানত আজি এই ৰোজগাৰ মেলাৰ আয়োজন কৰা হয়। ইয়াৰ জৰিয়তে দেশৰ নিবনুৱা সমস্যা দূৰীকৰণৰ ক্ষেত্ৰত সহায় হব বুলি আশা কৰা হৈছে।

ooooo

চৰ্দাৰ বল্লভ ভাই পেটেলৰ জন্মবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি দেশজুৰি আজি একতাৰ দৌৰ শীৰ্ষক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে নতুন দিল্লীৰ মেজৰ ধ্যানচান্দ নেচনেল ষ্টেডিয়ামৰ পৰা পতাকা জোকাৰি একতাৰ দৌৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। চৰ্দাৰ বল্লভ ভাই পেটেলৰ অৱদানৰ কথা স্মৰণ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে, একতাৰ দৌৰ দেশৰ একতাৰ হকে লোৱা মাত্ৰ এটা সংকল্পই নহয়, বৰং এই দৌৰ সম্প্ৰতি বিকশিত ভাৰতৰ সংকল্পৰূপে পৰিগণিত হৈছে। পেটেলে দেশীয় ৰাজ্যসমূহক একত্ৰিত কৰি এখন ঐক্যবদ্ধ দেশ গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল বুলি শ্ৰী শ্বাহে কয়।

কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰালয়ে আভ্যন্তৰীণ জলপথ প্ৰাধিকৰণৰ সহযোগত গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত একতাৰ দৌৰ শীৰ্ষক কাৰ্যসূচীৰ অনুষ্ঠিত কৰে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। পেটেলৰ মহান আদৰ্শ সৰোগত কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এক ভাৰত-শ্ৰেষ্ঠ ভাৰতৰ মূলমন্ত্ৰৰে দেশৰ প্ৰগতিৰ যাত্ৰাক আগুৱাই নিছে বুলি তেওঁ কয়।

**লখিমপুৰত** জিলা প্ৰশাসনৰ উদ্যোগত আয়োজিত একতাৰ দৌৰ কাৰ্যসূচীত জিলা আয়ুক্তকে ধৰি চৰকাৰী কৰ্মচাৰী, বিভিন্ন সংগঠনৰ বিষয়ববীয়াৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে।

একেদৰে **চৰাইদেউৰ** জিলা আয়ুক্তৰ কাৰ্যালয়ৰ পৰা আৱৰ্ত ভৱনলৈ একতাৰ দৌৰৰ আয়োজন কৰা হয়। **নগাঁৱত** জিলা প্ৰশাসন আৰু জিলা আৰক্ষীৰ সহযোগত নেহৰুবালি খেলপথাৰত এই কাৰ্যসূচী অনুষ্ঠিত হয়। জিলাখনৰ বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীৰ লগতে আৰক্ষী আৰু চৰকাৰী কৰ্মচাৰীসকলে এই কাৰ্যসূচীত অংশ লয়।

**শোণিতপুৰ** জিলাত আয়োজিত ৰাষ্ট্ৰীয় একতাৰ দৌৰ অনুষ্ঠানত বিধায়ক পৃথ্বীৰাজ ৰাভাৰ লগতে জিলাখনৰ আয়ুক্তই অংশগ্ৰহণ কৰে। একেদৰে **মৰিগাঁও, তামুলপুৰ,** চিৰাং, গোলাঘাট, যোৰহাট, ডিব্ৰুগড়, তিনিচুকীয়াতো জিলা প্ৰশাসনৰ উদ্যোগত একতাৰ দৌৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

00000

মন্ত্ৰী অতুল বৰাই আজি যোৰহাটত পশুপালন আৰু পশু চিকিৎসা বিভাগৰ কাৰ্যালয়ত পশু চিকিৎসা বিষয়া আৰু খণ্ড পশু চিকিৎসা বিষয়াসকলৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হয়। বানৰ সময়ত জিলাখনৰ পশুধন আৰু হাঁহ-কুকুৰা ৰক্ষণাবেক্ষণ দিয়াৰ ক্ষেত্ৰত বিভাগটোৰ প্ৰদৰ্শন, পিয়লৰ স্থিতি সম্পৰ্কত বৈঠকত মূল্যায়ন কৰা হয়। বৈঠকত পশুধনৰ টীকাকৰণৰ স্থিতি, কৃত্ৰিম প্ৰজনন, কিষাণ ক্ৰেডিট কাৰ্ডৰ হিতাধিকাৰীৰ সংখ্যা আদিকে ধৰি বিভিন্ন চৰকাৰী আঁচনি ৰূপায়ণৰ শেহতীয়া অগ্ৰগতিৰ বিষয়ে আলোচনা কৰা হয়।

00000

মাজুলীৰ কমলাবাৰী আৰু নিমাতী পাৰঘাট সংযোগী ফেৰী সেৱা কাইলৈ পুৱা পুনৰ আৰম্ভ হ'ব। আজি সন্ধিয়াৰে পৰা টিকট ক্ৰয় প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। পৰিবহন মন্ত্ৰী কেশৱ মহন্তই আজি এই বিষয়ে প্ৰকাশ কৰি কয় যে ব্ৰহ্মপুত্ৰৰ জলস্তৰ অস্বাভাৱিকভাৱে হ্ৰাস পোৱাৰ লগতে কমলাবাৰী পাৰঘাটৰ দিশত জলপথৰ কিছু অংশত নতুনকৈ পৰা বালিচৰৰ বাবে যোৱা ২০ অক্টোবৰৰ পৰা নিয়মীয়া ফেৰী সেৱা বন্ধ ৰাখিবলগীয়া হৈছিল। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ আভ্যন্তৰীণ জল পৰিবহন বিভাগে কেন্দ্ৰীয় আভ্যন্তৰীণ জলপথ প্ৰাধিকৰণৰ সহযোগত ২৫ অক্টোবৰৰ পৰা খনন কাৰ্য চলাই  জলপথটো ফেৰী চলাচলৰ বাবে সুগম কৰি তুলিছে বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

00000

সমাপ্ত